**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-Aug-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কালি তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান সফলতাৰে সম্পন্ন হয়। প্ৰশাসন আৰু বন বিভাগে বনাঞ্চলখনৰ ১ নম্বৰ মধুপুৰ, ৰানানগৰ আৰু হাতীদিঙি অঞ্চলত উচ্ছেদ চলাই ২২৮টা বাসগৃহ ধ্বংস কৰি সংৰক্ষিত বনভূমি এলেকাৰ কেইবা হেক্টৰ ভূমি দখলমুক্ত কৰে। সমগ্ৰ অভিযান আইনসংগতভাৱে আৰু পূৰ্বে জাৰি কৰা জাননীৰ ভিত্তিত শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। বিশেষ মুখ্য সচিব এন কে যাদৱৰ নেতৃত্বত এই অভিযানত জিলা আয়ুক্ত জ্যেষ্ঠ আৰক্ষী অধীক্ষক, বন বিভাগ, চি আৰ পি এফ আৰু অসম আৰক্ষীয়ে সহযোগ কৰে। উৰিয়ামঘাটত চৰকাৰে উচ্ছেদ অভিযান চলাই এইপৰ্যন্ত প্ৰায় ১৩ হাজাৰ বিঘা বনাঞ্চল দখলমুক্ত কৰিছে। ৰেংমা বনাঞ্চলৰ উপৰি ৰাজ্য চৰকাৰে উৰিয়ামঘাটৰ আশে-পাশে আন একাংশ অঞ্চলতো উচ্ছেদ অভিযান চলোৱাৰ বাবে প্ৰস্তুতি চলাইছে।

ইপিনে, গোলাঘাট জিলাৰ মেৰাপানীৰ অসম-নাগালেণ্ড সীমান্তত নাগালেণ্ডৰ ১১ খন গাঁৱৰ গাঁওপ্ৰধানে আন্তঃৰাজ্যিক পাৰপত্ৰ অৰ্থাৎ আই এল পি অথবা ভিলেইজ কাউন্সিলৰ অনুমতি অবিহনে কোনো অসমীয়া লোকে নাগালেণ্ডত প্ৰৱেশ কৰিব নোৱাৰিব বুলি জাননী জাৰি কৰিছে। এই জাননী অনুসৰি নাগালেণ্ডত অসমৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত ৯ টা নিয়ম জাৰি কৰা হৈছে। এই নিয়মসমূহ মানুহৰ লগতে পোহনীয়া জীৱ-জন্তুৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব বুলি সকিয়াই দিয়া হৈছে। কোনো লোকে এই নিয়ম উলংঘা কৰিলে ৫০ হাজাৰ টকাৰ জৰিমনাৰ লগতে বিধিগত শাস্তি বিহা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। অহা এক ছেপ্তেম্বৰৰ পৰা এই নিয়ম কাৰ্যকৰী হ'ব বুলি উল্লেখ কৰা হৈছে। এই জাননী লাভ কৰাৰ পাছতে তাৎক্ষণিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে বিষয়টো সন্দৰ্ভত গোলাঘাট জিলা প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

ইফালে, নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বটদ্ৰৱা আৰু আলিটাঙনি মৌজাৰ চৰকাৰী ভূমিত অবৈধভাৱে বসবাস কৰা লোকসকলৰ বিৰুদ্ধে আজি উচ্ছেদ অভিযান চলোৱা হ'ব। উচ্ছেদৰ বাবে প্ৰশাসন আৰু আৰক্ষীয়ে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নগাঁও, হোজাই, কাৰ্বি আংলং আৰু গোলাঘাটৰ পৰা ৪১৩ জন জোৱান মোতায়েন কৰা হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাক ভ্ৰমণৰ পূৰ্বে শিলচৰত কালি মন্ত্ৰী কৌশিক ৰায়ে উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি অনুষ্ঠিত এখন বৈঠকত মন্ত্ৰীগৰাকীয়ে এলিভেটেড কৰিডৰ, মধুৰাঘাট দলং আৰু শিলচৰ-হাইলাকান্দি পথৰ চাৰিলেন প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কয়, যে এলিভেটেড কৰিডৰৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে অঞ্চলটোৰ যান-জঁটৰ সমস্যা বহুলাংশে হ্ৰাস

পাব। একেদৰে শিলচৰ-হাইলাকান্দি পথৰ চাৰিলেন প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'লে অঞ্চলটোত শিক্ষা, স্বাস্থ্য আৰু বাণিজ্যৰ ক্ষেত্ৰত সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

কালিৰ বৈঠকত মন্ত্ৰীগৰাকীয়ে নতুন ৰেচন কাৰ্ড আৰু অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ ৰূপায়ণৰ ক্ষেত্ৰত স্বচ্ছতা আৰু ক্ষীপ্ৰতা নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। বৈঠকত ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ, বিধায়কত্ৰয় দ্বিপায়ন চক্ৰৱৰ্তী, মিহিৰ কান্তি সোম, খলিলুদ্দিন মজুমদাৰ আৰু জিলা উপায়ুক্ত মৃদুল যাদৱকে ধৰি প্ৰশাসনৰ অন্যান্য শীৰ্ষ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড়ৰ অসম চাহ মজদুৰ সংঘৰ কেন্দ্ৰীয় কাৰ্যালয়ত কালি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ২০২৪-২৫ বৰ্ষৰ বাবে চাহ বাগিচা শ্ৰমিকৰ বাৰ্ষিক বোনাচ সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত গিলেনডাৰ্ছ আৰ্বুথনট এণ্ড কোম্পানী লিমিটেডৰ বিষয়াসকল উপস্থিত থাকে। আলোচনাৰ অন্তত বাগিচা কৰ্তৃপক্ষৰ সৈতে ২০ শতাংশ বোনাচৰ চুক্তি স্বাক্ষৰিত হয়। চুক্তি অনুসৰি এই বোনাচৰ ১৫ শতাংশ দুৰ্গা পূজাৰ পূৰ্বে আৰু বাকী ৫ শতাংশ মাঘ বিহুৰ পূৰ্বে প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হয়। শ্ৰমিক সংগঠনৰ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱন সিং ঘাটোৱাৰে বোনাচৰ সিদ্ধান্তক আদৰণি জনাই ইয়াক ন্যায্য আৰু সময়োপযোগী হিচাপে অভিহিত কৰে।

০০০০০০

হোজাইৰ লংকাত কালি আৰক্ষীয়ে অভিযানকালত হেৰ'ইনসহ তিনিজন লোকক আটক কৰে। আটক কৰা লোককেইজনৰ নাম আকাশ মাহাতো, অৰুণ ছাহানী ওৰফে ফাকুল আৰু ছনুজ প্ৰসাদ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। বৰ্তমান তিনিওজনকে লংকা আৰক্ষী থানাত ৰাখি আৰক্ষীয়ে হেৰ'ইন সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। এটা বিশেষ সূত্ৰৰ পম খেদি আৰক্ষীৰ দলটোৱে লংকাৰ ৪ নম্বৰ ৱাৰ্ডৰ পাঞ্জাবী বস্তিৰ পৰা ১০ দশমিক ৯-৭ গ্ৰাম হেৰ'ইনসহ লোককেইজনক আটক কৰিছিল।

ইপিনে কাছাৰ আৰক্ষীয়ে কালি লক্ষীপুৰত মাদক দ্ৰব্য বিৰোধী অভিযান চলাই এখন বাহনৰ পৰা ৪১৬ গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে এজন লোকক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা হেৰ'ইনখিনিৰ বজাৰ মূল্য ২ কোটি ৮০ লাখ টকা হ'ব বুলি অনুমান কৰা হৈছে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত থকা ৰাংছিনা মহাবিদ্যালয়ত কালি ড্ৰাগছৰ বিৰুদ্ধে এখন সজাগতা সভাৰ আয়োজন কৰা হয়। জিলাখনৰ আৰক্ষী প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত এই সজাগতা সভাখনত অতিৰিক্ত জিলা আয়ুক্ত হিমাদ্ৰী শিখৰ বৰদলৈ আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ফেইজ আহমেদ বৰভূঞা অতিথি হিচাপে উপস্থিত থাকে। সভাত ড্ৰাগছ সেৱনৰ বিৰুদ্ধে শিক্ষাৰ্থী তথা অতিথিসকলে ভাষণ দিয়াৰ লগতে দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তেও ড্ৰাগছৰ ভয়াৱহতাৰ বিষয়ে প্ৰদৰ্শন কৰা হয়।

০০০০০০

সমাপ্ত